**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 31-05-2025
**Time :** 0755 Hrs

***Assamese Morning Bulletin***

————————————

বংগোপসাগৰত সৃষ্টি হোৱা গভীৰ নিম্নচাপৰ প্ৰভাৱত সমগ্ৰ পূব আৰু উত্তৰ-পূব ভাৰতত হোৱা প্ৰবল বৰষুণৰ ফলত অসমৰো বিভিন্ন ঠাইৰ জনজীৱন বিপৰ্যস্ত হৈ পৰিছে। গুৱাহাটীত নেৰানেপেৰা বৰষুণৰ ফলত হোৱা ভূমিস্খলনত শিশু আৰু মহিলাসহ চাৰিজন লোকৰ মৃত্যু হৈছে। ইপিনে গুৱাহাটী মহানগৰীত বানে জটিল ৰূপ ধাৰণ কৰে। এনে পৰিপ্ৰেক্ষিতত নগৰ উন্নয়ন মন্ত্ৰী জয়ন্ত মল্লবৰুৱাই নহানগৰীৰ ৰুক্মিণীগাঁও আৰু সাতগাঁৱত দুটাকৈ বান সাহায্য শিবিৰ স্থাপন কৰাৰ কথা ঘোষণা কৰিছে। মন্ত্ৰীগৰাকীয়ে বানত ক্ষতিগ্ৰস্ত লোকে যোগাযোগৰ বাবে কেইবাটাও ফোন নম্বৰ ৰাজহুৱা কৰিছে। সামাজিক মাধ্যমযোগে দিয়া এটা বাৰ্তাত তেওঁ কয় যে এই অঞ্চলসমূহৰ লগতে সমীপৰ আন কোনো স্থানত যদি সাধাৰণ জনতা অসুবিধাৰ সন্মুখীন হৈছে তেন্তে ফোন নম্বৰ কেইটাত তেওঁলোকে যোগাযোগ কৰিব পাৰিব। জনতাৰ বাবে মুকলি কৰি দিয়া ফোন নম্বৰ কেইটা হৈছে ৮৪৮৬৬৪০৬৩৩, ৮১৩৪৮৬৬২১২, ৯৯৫৪৩২৩৬১৪ আৰু ৯৯৫৪২৪১৭৬৬।

প্ৰতিকূল বতৰৰ পৰিপ্ৰেক্ষিতত যিকোনো সহায়ৰ বাবে কামৰূপ মহানগৰ জিলা প্ৰশাসনে দুটা নম্বৰ মুকলি কৰিছে। ০৩৬১-১০৭৭ আৰু ৯৩৬৫৪২৯৩১৪ এই দুটা টোলফ্ৰী নম্বৰত কোনো সমস্যাৰ বাবে ৰাইজে ফোন কৰিব পাৰিব। যোৱাবাটৰ ৰাষ্ট্ৰীয় ঘাইপথৰ ওপৰেৰে তিনি-চাৰিফুট পৰ্যন্ত পানী বাগৰাৰ ফলত উজনি আৰু নামনি অসমৰ মাজত যাতায়াত ব্যৱস্থা বিঘ্নিত হোৱা বুলি আমাৰ সংবাদদাতাই জানিবলৈ দিছে।

প্ৰবল বৃষ্টিপাতৰ ফলত কামৰূপ জিলাৰ উত্তৰ গুৱাহাটীৰ কেইবাটাও অঞ্চল কৃত্ৰিম বানৰ কবলত পৰে। বিশেষকৈ মধুপুৰ, অভয়পুৰ, কটাহবজাৰ, ৰহধলা আৰু কলবাৰীত কৃত্ৰিম বানৰ ফলত জনজীৱন ব্যাহত হৈ পৰে। অৱশ্যে প্ৰতিকূল বতৰৰ বাবে সাময়িকভাৱে স্থগিত ৰখা গুৱাহাটী আৰু উত্তৰ-গুৱাহাটীৰ মাজৰ ফেৰী সেৱা আজি পুনৰ আৰম্ভ হৈছে।

০০০০০০

ৰাজ্য চৰকাৰ জলসম্পদ মন্ত্ৰী পীযূষ হাজৰিকাই কালি বোকাখাতৰ বান ক্ষতিগ্ৰস্ত অঞ্চল পৰিদৰ্শন কৰে। পৰিদৰ্শনকালত মন্ত্ৰীগৰাকীয়ে খহনীয়াগ্ৰস্ত অঞ্চলত পৰ্কুপাইন, জিঅ'বেগ আদিৰে খহনীয়া ৰোধৰ বাবে যাৱতীয় ব্যৱস্থা গ্ৰহণৰ বাবে বিভাগীয় বিষয়াক নিৰ্দেশ দিয়ে।

০০০০০০

ডিব্ৰুগড় জিলা প্ৰশাসনে বাৰিষাৰ সময়ছোৱাত মথাউৰিত হ'ব পৰা যিকোনোধৰণৰ ক্ষয়-ক্ষতি যেনে মথাউৰি ছিগা তথা ফাটমেলা, মথাউৰিৰ ওপৰেৰে পানী বাগৰা ইত্যাদি সম্বন্ধীয় যিকোনো খবৰ তাৎক্ষণিকভাৱে প্ৰশাসনক অৱগত কৰিবলৈ জিলা জৰুৰীকালীন নিয়ন্ত্ৰণ কক্ষৰ হেল্পলাইন নম্বৰ ৰাইজৰ বাবে মুকলি কৰিছে। জনসাধাৰণে ৯৪৩৫-৩৫৮৩৭১ ম'বাইল নম্বৰ বা ০৩৭৩-২৩১২৯৪০ আৰু ০৩৭৩-২৪৫০১০০ লেণ্ডলাইন নম্বৰত লগতে টোল ফ্ৰী নম্বৰ ১০৭৭-ত যোগাযোগ কৰি তেনেধৰণৰ ক্ষয়-ক্ষতিৰ বিষয়ে ডিব্ৰুগড় জিলা প্ৰশাসন তথা সংশ্লিষ্ট বিভাগক অৱগত কৰিব পাৰিব বুলি জিলা প্ৰশাসনে জানিবলৈ দিছে।

০০০০০০

ৰাজ্যত বিদেশি বুলি ঘোষিত কোনো লোককে থকাৰ অনুমতি দিয়া নহ'ব আৰু তেওঁলোকক বহিষ্কাৰ কৰা হ'ব বুলি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই প্ৰকাশ কৰিছে। কালি দিছপুৰ এখন সংবাদমেলত মুখ্যমন্ত্ৰীগৰাকীয়ে কয়, যে বিদেশী বুলি ঘোষিত প্ৰায় ৩০ হাজাৰ লোক নিৰুদ্দেশ হৈ আছে আৰু এই লোকসকলক বিচাৰি বিতাড়ণ কৰাটো ৰাজ্য চৰকাৰৰ দায়িত্ব। তেওঁ কয়, যে বিদেশী বুলি ঘোষিতসকলৰ ভিতৰত যিসকলে নাগৰিকত্ব সন্দৰ্ভত ন্যায়ালয়ত আপীল কৰিছে তেওঁলোকক চৰকাৰে আটক নকৰে, কিন্তু এনে নকৰাসকলক বিতাড়ন কৰা হৈছে। উচ্চতম ন্যায়ালয়ে বিদেশী বুলি ঘোষিতসকলক ঘূৰাই পঠিওৱা সন্দৰ্ভত নিৰ্দেশনা জাৰি কৰিছে আৰু ৰাজ্য চৰকাৰে এই নিৰ্দেশনা পালন কৰিছে বুলি মুখ্যমন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে। পৰহি মেঘালয় আৰু শিলচৰ সীমান্তত ৩৫ জন বাংলাদেশীক আটক কৰি ঘূৰাই পঠিওৱা বুলি প্ৰকাশ কৰি ড০ শৰ্মাই কয়, যে শেহতীয়াকৈ ডেৰগাঁৱত হোৱা আৰক্ষী সন্মিলনত বিদেশী চিনাক্তকৰণৰ প্ৰক্ৰিয়া ত্বৰান্বিত কৰাৰ সিদ্ধান্ত লোৱা হৈছে। এন আৰ চি উন্নীতকৰণৰ বাবে ৰাজ্যৰ বিদেশী চিনাক্তকৰণৰ প্ৰক্ৰিয়া স্থগিত আছিল বুলিও তেওঁ অৱগত কৰে। দুৰ্গম আৰু সীমান্ত অঞ্চলৰ লোকক অস্ত্ৰৰ অনুজ্ঞাপত্ৰ প্ৰদানৰ সিদ্ধান্তক লৈ ৰাজ্যজুৰি সৃষ্টি হোৱা প্ৰতিক্ৰিয়া সন্দৰ্ভত সাংবাদিকে সোধা এটা প্ৰশ্নৰ উত্তৰত মুখ্যমন্ত্ৰীয়ে কয়, যে বিপদশংকুল অঞ্চলত জনসাধাৰণৰো জীয়াই থকাৰ অধিকাৰ আছে আৰু সংবিধানে অনুজ্ঞাপত্ৰ থকা অস্ত্ৰ ল'বলৈ আমাক অধিকাৰ দিছে। সীমান্তত থকা লোকক সুৰক্ষা দিয়াটো চৰকাৰৰ দায়িত্ব বুলিও তেওঁ উল্লেখ কৰে। তেওঁ কয়, যে ১৯৮৫ চনতে এই সিদ্ধান্ত লোৱা হ'লে মাটি-বাৰি এৰি আহিবলগীয়া নহ'লহেঁতেন।

০০০০০০

জটিল বান পৰিস্থিতিৰ প্ৰতি লক্ষ্য ৰাখি গুৱাহাটী মহানগৰীৰ সকলো শিক্ষানুষ্ঠান আজি বন্ধ থাকিব বুলি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই ঘোষণা কৰিছে। দিছপুৰত কালি অনুষ্ঠিত এখন সংবাদমেলত মুখ্যমন্ত্ৰী ড০ শৰ্মাই লগতে কয়, যে কামৰূপ মহানগৰ আৰু কামৰূপৰ চৰকাৰী কৰ্মচাৰীসকলৰ আজিৰ বাবে নৈমিত্তিক ছুটী দিয়া হৈছে। সম্ভাব্য বান পৰিস্থিতি সন্দৰ্ভত মুখ্যমন্ত্ৰীগৰাকীয়ে আজি সকলো জিলা আয়ুক্তৰ সৈতে ভিডিঅ' কনফাৰেন্সৰ জৰিয়তে আলোচনা কৰে বুলিও সংবাদমেলত প্ৰকাশ কৰে। ভূমিস্খলনৰ আশংকাৰ প্ৰতি লক্ষ্য ৰাখি কাছাৰ, ডিমাহাচাও, হাইলাকান্দি, কামৰূপ মহানগৰ, কামৰূপ, কাৰ্বি আংলং আৰু শ্ৰীভূমিত বিশেষ সতৰ্কতা অৱলম্বন কৰা হৈছে বুলিও তেওঁ জানিবলৈ দিয়ে।

০০০০০০

সমাপ্ত